# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-12-2025 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***

## ***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আন্তঃৰাষ্ট্ৰীয় দিব্যাংগ দিৱস উপলক্ষে দিব্যাংগসকলৰ মৰ্যাদা আৰু সম-সুযোগ নিশ্চিত কৰাৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাক দোহাৰে।

২। অমৃত ভাৰত ষ্টেচন আঁচনিৰ অধীনত বৰ্তমানলৈকে ১০৫টা ষ্টেচনৰ কাম সম্পূৰ্ণ কৰা হৈছে বুলি ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে।

৩। কেন্দ্ৰীয় চৰকাৰে মোবাইল ফোন নিৰ্মাতাসকলৰ বাবে **সঞ্চাৰ সাথী** এপ্‌টো নিৰ্মাণৰ সময়তে মোবাইল চেটত থকাটো বাধ্যতামূলক নকৰাৰ সিদ্ধান্ত লৈছে।

৪। ছত্তিশগড়ৰ বিজাপুৰ জিলাত আজি সুৰক্ষা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত সাতজন মাওবাদী নিহত হয়। ***আৰু***

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত ৰায়পুৰত অনুষ্ঠিত দ্বিতীয়খন এদিনীয়াত ভাৰতে দক্ষিণ আফ্ৰিকাক জয়ৰ বাবে ৩৫৯ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আন্তঃৰাষ্ট্ৰীয় দিব্যাংগ দিৱস উপলক্ষে দিব্যাংগসকলৰ মৰ্যাদা আৰু সম-সুযোগ নিশ্চিত কৰাৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাক দোহাৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে দিব্যাংগ লোকসকলে তেওঁলোকৰ সৃষ্টিশীলতা আৰু সমৰ্পনৰ জৰিয়তে বিভিন্ন ক্ষেত্ৰত আগবাঢ়ি যাবলৈ সমৰ্থ হৈছে। চৰকাৰে বিগত বছৰসমূহত বিশেষভাৱে সক্ষম লোকসকলৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহত আলোকপাত কৰি শ্ৰীমোদীয়ে কয় যে দেশে আইন, আন্তঃগাঁথনি, অন্তৰ্ভুক্তিমূলক শিক্ষা নীতি, যাৱতীয় প্ৰযুক্তিৰ উদ্ভাৱনৰ জৰিয়তে দিব্যাংগসকলৰ কল্যাণৰ হকে কাম কৰি আহিছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰাকৃতিক কৃষি পদ্ধতিৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয় যে ইয়াৰ জৰিয়তে কৃষিৰ বিবিধতা বৃদ্ধি পায়, য'ত গছ-গছনি আৰু পশুধনে সহাৱস্থানৰ জৰিয়তে প্ৰাকৃতিক জৈৱ-বৈচিত্ৰ্যক শক্তিশালী কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমত এটা প্ৰবন্ধ শ্বেয়াৰ কৰি দেশৰ জনসাধাৰণক প্ৰাকৃতিক কৃষি পদ্ধতি গ্ৰহণ আৰু ইয়াৰ প্ৰসাৰৰ বাবে আহ্বান জনায়। তেওঁ কয় যে ভাৰতৰ পাৰম্পৰিক ব্যৱস্থাৰ পৰা উদ্ভৱ হোৱা এই প্ৰাকৃতিক কৃষিপদ্ধতিত কৃষিজাত আৱৰ্জনাসমূহ পুনৰব্যৱহাৰযোগ্য কৰি খেতিৰ বাবে কৃষিভূমিক উপযোগী কৰি তোলা হয়। শ্ৰীমোদীয়ে কিছুদিন পূৰ্বে কইম্বাতুৰত প্ৰাকৃতিক কৃষি সন্দৰ্ভত এখন সন্মিলনত অংশগ্ৰহণ কৰাৰ কথা উল্লেখ কৰি কয় যে এই সন্মিলনে তেওঁৰ মনত গভীৰ প্ৰভাৱ পেলায়। ভাৰতে কৃষিখণ্ডত উল্লেখনীয় অগ্ৰগতি লাভ কৰিছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে বিগত বছৰত চৰকাৰে মুকলি কৰা প্ৰাকৃতিক কৃষি পদ্ধতিৰ ৰাষ্ট্ৰীয় অভিযানে ইতিমধ্যে লাখ লাখ কৃষকক সংযোজিত কৰিছে। সামগ্ৰীৰ ৰপ্তানি বৃদ্ধিক উৎসাহিত কৰা, কিষাণ ক্ৰেডিট কাৰ্ডৰ সুবিধা প্ৰদান আৰু পিএম কিষাণ আঁচনিৰ দৰে প্ৰচেষ্টাসমূহে কৃষকসকলক প্ৰাকৃতিক কৃষি পদ্ধতি অৱলম্বন কৰাৰ ক্ষেত্ৰত উপকৃত কৰিছে প্ৰধানমন্ত্ৰীয়ে লগতে মন্তব্য কৰে।

০০০০০০০০০

অমৃত ভাৰত ষ্টেচন আঁচনিৰ অধীনত বৰ্তমানলৈকে ১০৫টা ষ্টেচনৰ কাম সম্পূৰ্ণ কৰা হৈছে বুলি ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে। লোকসভাত আজি এটা প্ৰশ্নৰ লিখিত উত্তৰত শ্ৰীবৈষ্ণৱে এই

কথা প্ৰকাশ কৰি কয় যে ষ্টেচনসমূহৰ পুনৰ্নিৰ্মাণৰ বাবে চৰকাৰে এই আঁচনি মুকলি কৰিছিল আৰু ইয়াৰ অধীনত মুঠ এহেজাৰ ৩৩৭টা ৰে'ল ষ্টেচন চিনাক্ত কৰা হয়। এই আঁচনিৰ বাবে ২০২৫-২৬ বিত্তীয় বৰ্ষত ১২ হাজাৰ ১১৮ কোটি টকাৰ অনুমোদন দিয়া হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে কয় যে এই আঁচনিৰ অধীনত ৰে'ল ষ্টেচনসমূহত অপেক্ষাগৃহৰ সুবিধা, প্ৰস্ৰাৱগাৰ, পানীৰ সুবিধা, বহাৰ সুবিধা তথা দিব্যাংগসকলৰ বাবে প্ৰয়োজনীয় সুবিধাকে ধৰি যাত্ৰীসকলৰ বাবে সকলো ধৰণৰ উন্নত সুবিধাৰ ব্যৱস্থা কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

০০০০০০০০০

দেশৰ প্ৰায় ৬৪ শতাংশ নাগৰিকে বৰ্তমান কমেও এটা প্ৰকাৰৰ হ'লেও সামাজিক সুৰক্ষা লাভ কৰিবলৈ সমৰ্থ হৈছে, যিয়ে ভাৰতক জনসাধাৰণৰ সামাজিক সুৰক্ষা প্ৰদান কৰা বিশ্বৰ দ্বিতীয় সৰ্ববৃহৎ দেশত পৰিণত কৰিছে। নতুন দিল্লীত আজি ইণ্ডিয়া এড্‌জ ২০২৫ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰী ড০ মনসুখ মাণ্ডভিয়াই এনেদৰে প্ৰকাশ কৰে। ড০ মাণ্ডভিয়াই পুৰণি শ্ৰম আইনক শক্তিশালী কৰি নতুন শ্ৰম সংহিতা হিচাপে বিশ্বমানত ফেৰ মাৰিব পৰাকৈ শ্ৰম আইনক সলনি কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। প্ৰত্যক্ষ বিদেশী বিনিয়োগক আকৰ্ষণ কৰা, শ্ৰমিকসকলৰ কল্যাণ নিশ্চিত কৰা, সামাজিক সুৰক্ষা শক্তিশালী কৰা আৰু উদ্যোগ-শ্ৰমৰ সামঞ্জস্য বৃদ্ধিৰ হকে এই সংস্কাৰ সাধন কৰা হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ড০ মাণ্ডভিয়াই লগতে কয় যে নতুন শ্ৰম সংহিতাত বহুবোৰ শ্ৰমিকহিতৈষী ব্যৱস্থা অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ ভিতৰত বাধ্যতামূলক নিযুক্তিপত্ৰ, মহিলাৰ বাবে সম-বেতনৰ ব্যৱস্থা, ৪০ বছৰ উৰ্ধৰ শ্ৰমিকৰ বাবে বছেৰেকীয়া স্বাস্থ্য পৰীক্ষা, সংহত পঞ্জীয়ন আৰু অনুজ্ঞাপত্ৰৰ ব্যৱস্থা আদি সামৰি লোৱা হৈছে। নতুন শ্ৰম সংহিতাত মহিলাসকলৰ কল্যাণৰ বিষয়টো বিশেষ অগ্ৰাধিকাৰ দিয়া হৈছে বুলি ড০ মাণ্ডভিয়াই প্ৰকাশ কৰে।

০০০০০০০০০

চৰকাৰে পঞ্চদশ বিত্তীয় আয়োগৰ অধীনত ২০২৫-২৬ বিত্তীয় বৰ্ষত মিজোৰামৰ গ্ৰাম্য স্থানীয় নিকায়সমূহৰ বাবে ১৫ কোটি টকাৰ প্ৰথমটো কিস্তি মুকলি কৰি দিছে। ৰাজ্যখনৰ স্বায়ত্ত শাসিত জিলা পৰিষদৰ অঞ্চলসমূহকে ধৰি সকলো যোগ্য গাঁও পৰিষদে এই কিস্তিৰ ধন লাভ কৰিব বুলি পঞ্চায়তীৰাজ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে লগতে কয় যে গ্ৰাম্য স্থানীয় নিকায়সমূহে প্ৰয়োজন অনুসৰি আন্‌টাইড পুঁজিৰ ধনৰাশি ব্যৱহাৰ কৰিব। আনহাতে, অনাময়, খোৱাপানীৰ ব্যৱস্থা, বৰষুণৰ পানী সংৰক্ষণকে ধৰি প্ৰাথমিক সেৱাসমূহৰ বাবে টাইড পুঁজিৰ ধন ব্যৱহাৰ কৰিব পৰা যাব।

০০০০০০০০০

কেন্দ্ৰীয় চৰকাৰে মোবাইল ফোন নিৰ্মাতাসকলৰ বাবে **সঞ্চাৰ সাথী** এপ্‌টো নিৰ্মাণৰ সময়তে মোবাইল চেটত থকাটো বাধ্যতামূলক নকৰাৰ সিদ্ধান্ত লৈছে। কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰালয়ে আজি নতুন দিল্লীত এই বিষয়ে এটা স্পষ্টীকৰণ প্ৰকাশ কৰি কয় যে নাগৰিকসকলে যেতিয়াই বিচাৰে তেতিয়াই এই এপ্‌টো তেওঁলোকৰ ফোনৰ পৰা আন-ইনষ্টল কৰিব পাৰে। মন্ত্ৰালয়ে লগতে ইয়াকো স্পষ্ট কৰি দিয়ে যে ব্যৱহাৰকাৰীৰ সুৰক্ষাৰ বাহিৰে এই এপ্‌টোৰ আন কোনো ব্যৱহাৰ নাই। মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি এতিয়ালৈকে দেশৰ ১ কোটি ৪০ লাখ মোবাইল ফোন ব্যৱহাৰকাৰীয়ে এই এপ্‌টো ডাউনল'ড কৰিছে। এই ব্যৱহাৰকাৰীসকলৰ মাজত প্ৰতি দিনে প্ৰায় দুহেজাৰ বিত্তীয় প্ৰৱঞ্চনাৰ ঘটনা ধৰা পৰাৰ বাতৰি আহিছে। মন্ত্ৰালয়ে স্পষ্ট কৰি দিয়ে যে সঞ্চাৰ সাথী এপ্‌ সম্পূৰ্ণ সুৰক্ষিত আৰু ই কেৱল চাইবাৰ জগতৰ অশুভ শক্তি আৰু প্ৰৱঞ্চকৰ পৰা সৰ্বসাধাৰণ ৰাইজক সুৰক্ষা দিয়াৰ বাবেহে প্ৰৱৰ্তন কৰা হৈছে।

০০০০০০০০০

ছত্তিশগড়ৰ বিজাপুৰ জিলাত আজি সুৰক্ষা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত সাতজন মাওবাদী নিহত হয়। অভিযানৰ সময়ত সুৰক্ষা বাহিনীৰো দুজন জোৱান নিহত হোৱাৰ লগতে এজন গুৰুতৰভাৱে আহত

হয়। বিজাপুৰৰ আৰক্ষী অধীক্ষক জিতেন্দ্ৰ যাদৱে জনোৱা মতে গোপন সূত্ৰৰ ভিত্তিত বিজাপুৰ-দান্তেৱাড়া সীমান্তত মাওবাদীৰ অৱস্থিতিৰ তথ্য লাভ কৰাৰ পাছতে জিলা সংৰক্ষিত বাহিনী, বিশেষ কাৰ্যবাহিনী, কোব্ৰা ইউনিট আৰু জিলা দুখনৰ পৰা কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ দলে অঞ্চলটোত যুটীয়াভাৱে অভিযান চলায়। সুৰক্ষা বাহিনী আৰু মাওবাদীৰ মাজত আজি পুৱা পৰ্যন্ত গুলিয়াগুলী চলে। অঞ্চলটোৰ পৰা এতিয়ালৈকে ৭জন মাওবাদীৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে বুলি বাষ্টাৰ খণ্ডৰ আৰক্ষী মহাপৰিদৰ্শক সুন্দৰৰাজ পিয়ে জনাইছে। মাওবাদীকেইজনৰ পৰা বন্দুক আৰু অন্যান্য বিস্ফোৰক সামগ্ৰী জব্দ কৰা হয়। এই মুখামুখি সংঘৰ্ষত বিজাপুৰৰ জিলা সংৰক্ষিত বাহিনীৰ এজন হেড কনিষ্টবল আৰু এজন কনিষ্টবলৰ মৃত্যু হয়। আহত আনজন জোৱানক বিজাপুৰত প্ৰাথমিক চিকিৎসা প্ৰদান কৰা হয়। অঞ্চলটোত এতিয়াও অভিযান অব্যাহত আছে।

০০০০০০০০০

চৰকাৰে বিগত তিনি বছৰত **মদদ** পোৰ্টেলৰ জৰিয়তে প্ৰায় ১ লাখ ৩৮ হাজাৰ অভিযোগ নিস্পত্তি কৰিছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে প্ৰকাশ কৰিছে। নতুন দিল্লীত অনুষ্ঠিত ভাৰতৰ বিশ্ব বাৰ্ষিক সন্মিলন ২০২৫ত অংশগ্ৰহণ কৰি ড০ জয়শংকৰে কয় যে ভাৰতীয় সম্প্ৰদায় কল্যাণ পুঁজিৰ পৰা সংগ্ৰহ কৰা পাছপোৰ্টৰ জৰিয়তে প্ৰায় ২ লাখ ৩৮ হাজাৰ লোক উপকৃত হৈছে। তেওঁ লগতে কয় যে বৰ্তমান সময়ত ভাৰতত পাছপোৰ্ট লাভ কৰাটো পূৰ্বৰ দৰে প্ৰত্যাহ্বানমূলক নহয়। বৰ্তমান সময়ত দেশৰ ৫০০ৰো অধিক স্থানৰ পৰা জনসাধাৰণে পাছপোৰ্ট লাভ কৰিব পাৰে বুলি ড০ জয়শংকৰে প্ৰকাৰ কৰে। অবৈধ প্ৰব্ৰজন ৰোধ সন্দৰ্ভত ড০ জয়শংকৰে দেশৰ পৰা বাহিৰলৈ যোৱাৰ তথ্যপাতিৰ প্ৰমাণসমূহৰ ক্ষেত্ৰত অধিক স্বচ্ছতাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে ২০১৪ চনৰ পৰা প্ৰব্ৰজন সন্দৰ্ভত ২১খন চুক্তিত স্বাক্ষৰ কৰাৰ কথা উল্লেখ কৰি ড০ জয়শংকৰে এই চুক্তিকেইখন যথেষ্ট ফলপ্ৰসূ হৈছে বুলি মন্তব্য কৰে।

০০০০০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত ৰায়পুৰত অনুষ্ঠিত দ্বিতীয়খন এদিনীয়াত আজি ভাৰতে দক্ষিণ আফ্ৰিকাক জয়ৰ বাবে ৩৫৯ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ৫০ অভাৰত পাঁচটা উইকেট হেৰুৱাই ৩৫৮ ৰাণ সংগ্ৰহ কৰে। দলৰ হৈ ঋতুৰাজ গাইকোৱাডে সৰ্বাধিক ১০৫ আৰু বিৰাটী কোহলীয়ে ১০২ ৰাণ কৰে। অধিনায়ক কে এল ৰাহুল ৬৬ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। দক্ষিণ আফ্ৰিকাৰ মাৰ্কো জেনছেনে দুটা উইকেট লাভ কৰাৰ লগতে নান্দ্ৰে বাৰ্গাৰ আৰু লুংগী এনগিডিয়ে এটাকৈ উইকেট দখল কৰে। আমালৈ বাতৰি অহাৰ পৰলৈ দক্ষিণ আফ্ৰিকাই ১৯ অভাৰত ১টা উইকেট হেৰুৱাই ১১২ ৰাণ সংগ্ৰহ কৰিছে। অৰ্শ্বদীপ সিঙে এটা উইকেট লাভ কৰিছে। ভাৰতে সম্প্ৰতি তিনিখনীয়া শৃংখলাটোত ১-০ৰ অগ্ৰগতি লাভ কৰি আছে।

০০০০০০০০০

সমাপ্ত